ৰিশ্বাঙক লগ পামনে? বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ বন্ধু ৰিশ্বাং কেইছিঙক লগ পাম? নে বয়োবৃদ্ধ ৰাজনীতিজ্ঞ ৰিশ্বাং কেইছিঙক লগ পাই উভতি আহিম?

দেশৰ ৰাজকাৰ্য চালিত হোৱা ৰাজধানীৰ সেই এলেকাটোৱেদি গৈ থাকোঁতে ঈয়াৰুইংগমত বৰ্ণনা কৰা ৰিশ্বাঙৰ উখৰুলৰ গাঁওবোৰ মোৰ মনলৈ আহিছিল। সেই দুখীয়া গাঁওবোৰ আৰু তাৰ জৰাজীৰ্ণ বাট-পথবোৰৰ একেবাৰে বিপৰীত মেৰুত দক্ষিণ দিল্লীৰ এই বিশেষ আবাসিক এলেকাটোৰ অৱস্থান। ঈয়াৰুইংগমৰ আৰম্ভণিৰপৰা শেষলৈকে ক'তো এবাৰো ৰিশ্বাঙৰ গাঁওখনৰ নাম উল্লেখ কৰা হোৱা নাই। কিন্তু বাস্তৱত ৰিশ্বাং কেইছিং ওপজা টাংখুল গাঁওখনৰ নাম বুংপা খনৌ। মণিপুৰৰ উখৰুল জিলাৰ অন্তৰ্গত এইখন গাঁৱতে ৰুংডি কেইছিং আৰু মুনছিংলা কেইছিঙৰ সন্তান ৰিশ্বাং কেইছিঙে শিক্ষা আৰম্ভ কৰি পাছলৈ কলকাতাৰ স্কটিছ চাৰ্চ কলেজত পঢ়িছিলগৈ। এবছৰৰ পাছত অৱশ্যে তেখেতে কলেজ সলনি কৰি ছেইণ্ট পল কেথেড্ৰেল মিছন কলেজত নাম লগায় আৰু তাৰেপৰাই স্নাতক শিক্ষা সম্পূৰ্ণ কৰে। উপন্যাসৰ ৰিশ্বাঙেও উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ যোৱাৰ বৰ্ণনা ঈয়াৰুইংগমত পোৱা যায়। কলিকতাৰপৰা ৰিশ্বাং মণিপুৰলৈ উভতি আহে। আগৰ দৰেই ৰিশ্বাং ৰাইজৰ কামত ব্যস্ত হয়। ৰিশ্বাং আৰু খুটিংলাৰ গিৰ্জাত বিয়া হয়। খুটিংলা সন্তানসম্ভৱা হয়। কিন্তু এইখিনিৰ পাছৰ কাহিনী উপন্যাসখনত পোৱা নাযায়। বাস্তৱতো ৰিশ্বাং কেইছিঙে ১৯৫০ চনৰ পোন্ধৰ এপ্ৰিলত খুটিংলা হুনয়ুক বিয়া কৰায়। ঠিক উপন্যাসখনত বৰ্ণনা কৰাৰ দৰেই উখৰুল গিৰ্জাত তেখেতসকলৰ বিয়া হৈছিল। পাছলৈ ৰিশ্বাং-খুটিংলা চাৰিজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ পিতৃ-মাতৃ হয়গৈ। ছাত্ৰাৱস্থাতে সামাজিক-ৰাজনৈতিক জীৱন আৰম্ভ কৰা ৰিশ্বাং কেইছিং ৰাজনীতিত সুদীৰ্ঘকাল ধৰি সক্ৰিয় আৰু সফল আছিল। স্বাধীনতা আন্দোলনত যোগদান কৰি প্ৰত্যক্ষ ৰাজনৈতিক জীৱন আৰম্ভ কৰি প্ৰায় সাতটা দশক জুৰি ৰাজনীতিৰ থলীত সক্ৰিয় হৈ থকা ৰিশ্বাং কেইছিং আছিল ভাৰতৰ বয়োজ্যেষ্ঠ সাংসদ। ২০১৪ চনত ৯৪ বছৰ বয়সতহে তেখেতে ৰাজনীতিৰপৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰে। ১৯৭২ চনত পৃথক পূৰ্ণাংগ ৰাজ্যৰূপে মণিপুৰ গঠিত হোৱাৰেপৰা ৰাজ্যখনৰ বিধানসভাত তেখেত উখৰুলৰ ফুংয়াৰ সমষ্টিৰপৰা সাতবাৰকৈ বিজয়ী হৈছিল আৰু তিনিটা দশক জুৰি সমষ্টিটোৰ প্ৰতিনিধিত্ব কৰিছিল। উল্লেখযোগ্য যে এই একেটা সমষ্টিৰপৰা তেখেতৰ পুত্ৰ ভিক্টৰ কেইছিঙো ২০১২ চনৰ বিধান সভা নিৰ্বাচনত বিজয়ী হৈছিল। প্ৰথমতে ৰিশ্বাং কেইছিং ভাৰতীয় সমাজবাদী পাৰ্টিৰ আছিল যদিও ১৯৬৪ চনৰপৰা সমগ্ৰ জীৱন ধৰি তেখেত আছিল কংগ্ৰেছ দলৰ সদস্য। চাৰিবাৰকৈ মণিপুৰৰ মুখ্যমন্ত্ৰী হোৱা ৰিশ্বাং কেইছিং তিনিবাৰকৈ লোকসভাত নিজৰ ৰাজ্যখনক প্ৰতিনিধিত্ব কৰি সাংসদ হৈছিল। ২০১৪ চনত স্বেচ্ছাৰে কৰ্মজীৱনৰপৰা অৱসৰ লৈছিল যদিও জীৱনৰ একেবাৰে শেষ বয়সলৈকে তেখেত কাৰ্যক্ষম হৈ আছিল।

যি সময়ত মই ৰিশ্বাঙৰ সন্ধেদ পাই তেখেতক বিচাৰি গৈছিলোঁ, সেই সময়তো তেখেত কংগ্ৰেছ দলৰ সাংসদ আছিল। সাংসদৰ বাসভৱনলৈ মই আৰু প্ৰফেছৰ পট্টনায়ক সোমাই যাওঁতে সুৰক্ষা কৰ্মীয়ে যাৱতীয় সোধা-পোছা কৰিছিল যদিও বিশ্ববিদ্যালয়ৰ শিক্ষক বুলি আমাৰ লগত সসন্মানেৰে কথা পাতিছিল। কোনোবা এজনে আমাক আগবঢ়াই নি আহল-বহল চ'ৰাঘৰটোত বহিবলৈ দিলে। আমি যাম বুলি তেখেতসকলে জানিছিল, কাৰণ এপইণ্টমেণ্ট লৈ থোৱাই আছিল। কোঠাটো অনাড়ম্বৰ। নীলা ছোফা, পাতল ৰঙৰ পৰ্দা। পাতল ৰঙৰ বেৰত ফ্ৰে'মত বন্ধাই ওলমাই থোৱা আছে ৰিশ্বাং কেইছিঙৰ ৰাজনৈতিক জীৱনৰ লগত জড়িত কেইখনমান ফটো। কোঠাটোৰ এচুকৰ টেবুল আৰু আলমাৰিত কিছু কিতাপ আৰু কেইপদমান টাংখুল সাংস্কৃতিক সজোৱা সামগ্ৰী। অলপ সময় বহাৰ পাছতেই ভিতৰৰপৰা কোঠাটোৰ পৰ্দা আঁতৰাই বয়োবৃদ্ধ, গহীন মানুহজন সোমাই আহিল। তেখেতৰ মুখত আতিথ্যমিশ্ৰিত সৌম্য হাঁহি। পিন্ধনত তেনেই সাধাৰণ ছাৰ্ট-পেণ্ট এযোৰ। মোৰ সমুখত সেয়া ৰিশ্বাং কেইছিং, ভাৰতৰ আটাইতকৈ বৰ্ষীয়ান সাংসদজন। সফল, বিচক্ষণ ৰাজনীতিজ্ঞ। কিন্তু ৰিশ্বাং কেইছিঙক দেখি মই দেখা পালোঁ, সেয়া ৰিশ্বাং, কেৱল ৰিশ্বাং! আকৈশোৰ চিনাকি আমাৰ ঈয়াৰুইংগমৰ নায়ক ৰিশ্বাং! এটা পলকৰ কাৰণেও তেখেতৰ পৰা মোৰ চকু নাতবোৱাকৈ আপোনা-আপুনি মই বহাৰপৰা উঠি থিয় হ'লোঁ। তেখেতে ব্যস্ত হৈ মোক বহিবলৈ দি কথা আৰম্ভ কৰিলেই। মই অসমৰ বুলি জানি তেখেতে বৰ আগ্ৰহ দেখুৱাইছিল আৰু অলপ ভঙা অসমীয়া আৰু নাগামিজ মিহলাই কথা পাতিছিল। তেতিয়ালৈকে ফোনত তেওঁৰ সৈতে মোৰ পোনপটীয়া যোগাযোগ হোৱা নাছিল। মই ঈয়াৰুইংগমৰ ৰিশ্বাঙক বিচাৰিহে তেওঁৰ ঘৰ ওলাইছিলোঁগৈ বুলি কোৱাত তেখেতে বৰ আমোদ পালে আৰু অলপ ৰ'বলৈ কৈ তেখেতৰ পত্নীক মাতি আনিলেগৈ। তেখেতে চিনাকি কৰি দি ক'লে, এইজনী তোমাৰ ঈয়াৰুইংগমৰ খুটিংলা। বাক্যটো এনেদৰেই আৰম্ভ কৰি তেখেতে বাকীখিনি ইংৰাজীতে কৈছিল, মাই ৰাইফ, খুটিংলা হুনয়ু কেইছিং। আমি নমস্কাৰ বিনিময় কৰিছিলোঁ। মৰম লগা বয়স্কা মানুহগৰাকী ৰিশ্বাঙৰ কাষতে বহিছিল। তেখেতে গাঢ় নীলা জনজাতীয় মেখেলা এখন পাক মাৰি পিন্ধিছিল। বগাত সৰু সৰু গুলপীয়া আঁচ কটা কলাৰ থকা চোলাটোৰ ওপৰত পাতল নীলা চুটি চাদৰ এখন। ভৰিত নীলা ফিতা লগোৱা হাৱাই ছেণ্ডেল। ইমান সম্পদশালী আৰু প্ৰভাৱশালী হৈয়ো দুয়ো ইমান সাধাৰণ আৰু সুন্দৰ। প্ৰথম দেখিয়েই মানুহগৰাকী লাজকুৰীয়া যেন লাগিছিল। সেই মুহূৰ্তটোত কেনে লাগিছিল মোৰ? মোৰ সমুখত সোঁশৰীৰে এয়া ঈয়াৰুইংগমৰ ৰিশ্বাং আৰু খুটিংলা! ১৯৬২ চনতে প্ৰথম প্ৰকাশিত উপন্যাসখনৰ পৃষ্ঠাৰপৰা সেই পাহাৰীয়া টাংখুল নগা ডেকা-গাভৰুহাল যেন উঠি আহি এয়া ২০১০ চনত মোৰপৰা দুহাত মাথোঁ ওচৰতে এয়া দুগৰাকী ৮৪ আৰু ৯০ বছৰীয়া বুঢ়া-বুঢ়ীৰ ৰূপত বহি আছে! ঈয়াৰুইংগমত বৰ্ণিত যুদ্ধবিধ্বস্ত সেই হাবি-বনে আগুৰা পাহাৰীয়া টাংখুল গাঁওখনৰ ৰিশ্বাং আৰু খুটিংলা এয়া দিল্লীৰ সাংসদৰ আবাসত! সঁচানে? সঁচানে? সেই মুহূৰ্তত উপন্যাসৰ কাহিনীৰ যুটিটোক চকুৰ সমুখত দেখি মই যেন স্থান আৰু কালৰ সমতা মিলাব পৰা নাছিলোঁ।

ঈয়াৰুইংগমৰ চৰিত্ৰবোৰ যেন এটা এটাকৈ মোৰ চকুৰ আগত ভাহি উঠিছিল। তাৰে মুখ্য চৰিত্ৰ ৰিশ্বাং আৰু খুটিংলাৰ লগত সমুখা-সমুখিকৈ বহি কথা পাতি থকাটো মোৰ স্বপ্ন যেন লাগিল। ধীৰে ধীৰে কথাবোৰ একেবাৰে ঘৰুৱা ধৰণৰ হৈ আহিল। ৰিশ্বাং কেইছিঙৰ লগত ইংৰাজীতে কথা পাতিবলৈ সুচল হৈছিল। মই সুধিছিলোঁ—“আপুনি নিজে ঈয়াৰুইংগম পঢ়িছেনে?”

“একেবহাতে। একেৰাহে গোটেই ৰাতিটো পঢ়ি শেষ কৰিছিলোঁ। তেওঁ বৰ প্ৰতিভাশালী লেখক আছিল।”

কম বয়সীয়া ল'ৰা এজনে চাহ-বিস্কুটৰ ট্ৰে' এখন লৈ আনিছিল। ৰিশ্বাং আৰু খুটিংলাই চিনাকি কৰাই দিলে, তেওঁলোকৰ নাতি। আকৌ এবাৰ অলপ আচৰিত হোৱাৰ পাল। তেখেতসকলৰ আতিথ্যৰ উষ্ণতাত আমাৰ কথোপকথন ধীৰে ধীৰে পাগত উঠিল। ঈয়াৰুইংগমত বৰ্ণিত সময়ৰ পুৰণি কথা সুঁৱৰি ৰিশ্বাঙে কৈ গৈছিল, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য তেখেতসকলৰ ঘৰতে থাকি উখৰুল খ্ৰিষ্টীয়ান মিছনেৰি হাইস্কুলত শিক্ষকতা কৰাৰ